# Constitution Day Talk






## নগাঁও ছোৱালী কলেজত 'সংবিধান দিৱস' পালন

**'আমাৰ অসম'ৰ মহানগৰ সংবাদ, ২৭ নৱেম্বৰ ঃ** নগাঁও ছোৱালী কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত 'চিন্তা জুৰণী কক্ষ'ত শনিবাৰে 'সংবিধান দিৱস' পালন কৰা হয়। অনুষ্ঠানটিৰ আঁত ধৰে ছাত্ৰী একতা সভাৰ সম্পাদিকা পৰিস্মিতা শৰ্মাই। ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰীসকলে জ্যেষ্ঠ অধ্যাপক ৰ'জী ডেকাৰ কথা আৰু সুৰাৰোপিত এটা দেশপ্ৰেমমূলক গীত পৰিৱেশন কৰি অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। সভাখন সভাপতিত্ব কৰে ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ৰঞ্জনা বৰাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি অধ্যাপক ৰ'জী ডেকাই ভাৰতীয় সংবিধান প্ৰণয়ন প্ৰক্ৰিয়াৰ প্ৰসংগ উল্লেখ কৰে। দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপিকা ড° সঞ্চিতা বৰাই উক্ত সভাত সমল ব্যক্তি হিচাবে উপস্থিত থাকি ভাৰতীয় সংবিধানৰ দাৰ্শনিক ব্যাখ্যা আগবঢ়ায়। আভ্যন্তৰীণ মান নিৰ্ণয় কোষৰ সমন্বয়ক অধ্যাপক ৰঞ্জিত কৰুৱাই সংবিধান দিৱসৰ গুৰুত্ব আৰু ভাৰতীয় সমাজ ব্যৱস্থা বিষয়ত আলোকপাত কৰে। সভাপতিৰ মন্তব্যত ৰঞ্জনা বৰাই প্ৰস্তাৱনাৰ বিশেষ তাৎপৰ্য উল্লেখ কৰে। বিভিন্ন বিভাগৰ ছাত্ৰী আৰু অধ্যাপকসকলৰ উপস্থিতিয়ে অনুষ্ঠানটি অধিক সাফল্যমণ্ডিত কৰি তোলে। ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে উক্ত অনুষ্ঠানটোৰ সামৰণি হয়।